# দাম কিমান ? (পৰ্য্যায়-১)

| | |
|---|---|
| **বিৱৰণ** | শিক্ষাৰ্থীয়ে জোখ-মাপ, সংখ্যা, আকৃতি, দাম, যোগ, বিয়োগৰ সৈতে বহুত গাণিতিক ধাৰণা বিশ্লেষণ কৰিব আৰু নিজৰ দোকান স্থাপনৰ লগতে মূল্য নিৰ্ধাৰণো কৰিব। |
| **শীৰ্ষস্থানীয় প্ৰশ্ন** | তুমি নিজৰ দোকান স্থাপন কৰিব পাৰিবা নে? |
| **মুঠ সময়ৰ প্ৰয়োজন** | ৬ দিনত ৫ ঘন্টা। |
| **প্ৰয়োজনীয় সঁজুলি** | পেঞ্চিল, ৰং পেঞ্চিল(বিকল্প), কাগজ, কেচি। |
| **শিকনৰ ফলাফল** | ১) ওজনৰ মান আৰু স্কেল পৰিমাপৰ ধাৰণা।<br>২) সাধাৰণ যোগ, বিয়োগ আৰু পূৰণ অংক।<br>৩) বাৰংবাৰতাৰ তালিকা সম্পূৰ্ণ আৰু গণনা কৰা।<br>৪) আকাৰ আৰু সংখ্যা লিখা।<br>৫) দাম, বৰ্ণনামূলক তালিকা আৰু বিজ্ঞাপনৰ ধাৰণা। |
| **প্ৰাৰম্ভিক জ্ঞান** | • দোকান পৰিদৰ্শন<br>• পূৰ্ণ সংখ্যা<br>• যোগ কৰা<br>• বিয়োগ কৰা<br>• টকাৰ ধাৰণা |

## দিন ১

আজি তুমি ঘৰত পৰিয়ালে দৈনন্দিন কি কি সামগ্ৰী ব্যৱহাৰ কৰে বিচাৰি উলিয়াবা আৰু তোমাৰ দোকানত কি কি বিক্ৰী কৰিবা সেয়া ঠিক কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **১০ মিনিট** | ❖ তুমি আগতে দোকান পৰিদৰ্শনৰ কথা ভাৱা আৰু ভাৱিবা দোকানখন কিহৰ দোকান আছিল। যেনে- গেলামালৰ দোকান, কাপোৰৰ দোকান, ঔষধৰ দোকান ইত্যাদি।<br>❖ তুমি ঘৰৰ ওচৰতে এখন সাধাৰণ (সকলো সামগ্ৰী পাব পৰা) দোকানৰ ৰূপাঙ্কন কৰা য'ত বিভিন্ন মূল্যৰ সামগ্ৰী থাকিব। |
| **২০ মিনিট** | ❖ বাৰংবাৰতা তালিকাৰ দ্বাৰা সকলো পৰিয়ালৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ তথ্য সংগ্ৰহ কৰা। |

| | |
|---|---|
| | ❖ ঘৰত কোনবোৰ সামগ্ৰীৰ ব্যৱহাৰ বেছি হয় পৰিয়ালৰ সদস্যক সোধা। <br>❖ সামগ্ৰীবোৰৰ নাম লিখা অথবা উদাহৰণ দৰ্শোৱা আৰু পৰিয়ালৰ সদস্যই কোনবোৰ বেছি ব্যৱহাৰ কৰে তাৰ ওপৰত এখন বাৰংবাৰতাৰ তালিকা প্ৰস্তুত কৰা। <br><br>যেনে- <br>**<u>সামগ্ৰী</u>** **<u>পৰিয়ালৰ সদস্যই বেছি ব্যৱহাৰ কৰে</u>** <br>১) গাখীৰ ‖‖ <br>২) টুথপেষ্ট ‖ <br>৩) পেঞ্চিল ‖‖‖ |
| **২০ মিনিট** | ❖ তুমি কি কি সামগ্ৰী বিক্ৰী কৰিবলৈ ভাল পাবা সেয়া ঠিক কৰা আৰু ১০-১৫ বিধ সামগ্ৰীৰ এখন তালিকা তৈয়াৰ কৰা যিবোৰ সামগ্ৰী মানুহে কিনিবলৈ আগ্ৰহী হ'ব বুলি তুমি ভাৱা । <br>যেনে- <br>- কাপোৰঃ ১) টি-চাৰ্ট ২) পাইজামা ৩)পেণ্ট <br>- ফলমূলঃ ১) আপেল ২) কল ৩) কমলা <br>- পানীয়ঃ ১) গাখীৰ ২) চৰ্বত <br>- আয়োজনঃ ১) ব্ৰেড ২)খাদ্যশস্য <br>- অন্যান্যঃ ১)টুথপেষ্ট ২) পেঞ্চিল ইত্যাদি। |

# দিন ২


আজি তুমি তোমাৰ দোকানৰ সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **২০ মিনিট** | ❖ প্ৰতিটো সামগ্ৰীৰ মূল্য অথবা প্ৰতিটো সামগ্ৰী কিমান মূল্যত তুমি বিক্ৰী কৰিব বিছাৰিবা সেয়া নিৰ্ণয় কৰা। <br>❖ উল্লেখিত বিক্ৰীমূল্য, সামগ্ৰীৰ প্ৰকৃত মূল্যৰ অনুসন্ধান/বুজি অথবা সামগ্ৰীবোৰৰ কিমান দাম হয় তাৰ ওপৰত ভিত্তি কৰি হ'ব। <br>❖ তুমি যদি সামগ্ৰীৰ অনুসন্ধান কৰিব যোৱা, তেন্তে সামগ্ৰীৰ পেকেটত থকা সৰ্বাধিক খুচুৰা মূল্য দেখা পাবা অথবা পৰিয়ালৰ সদস্যক সামগ্ৰীৰ দাম সুধিব পাৰা বা সামগ্ৰী কিনা ৰচিদ চাব পাৰা। <br>❖ তলত দিয়াৰ দৰে প্ৰতিটো সামগ্ৰীৰ ছবি অংকন আৰু নামৰ সৈতে মূল্য লিখিবা। |

<table>
<tr><td></td><td>
<table>
<tr><td>সামগ্ৰী- ১<br><br>টি-চাৰ্ট ২৫০.০০ টকা</td><td>দ্বিতীয় সামগ্ৰীৰ অংকন<br>সামগ্ৰীৰ নাম আৰু মূল্য</td><td>তৃতীয় সামগ্ৰীৰ অংকন<br>সামগ্ৰীৰ নাম আৰু মূল্য</td></tr>
<tr><td>চতুৰ্থ সামগ্ৰীৰ অংকন<br>সামগ্ৰীৰ নাম আৰু মূল্য</td><td>পঞ্চম সামগ্ৰীৰ অংকন<br>সামগ্ৰীৰ নাম আৰু মূল্য</td><td>ষষ্ঠ সামগ্ৰীৰ অংকন<br>সামগ্ৰীৰ নাম আৰু মূল্য</td></tr>
</table>
</td></tr>
<tr><td>১০ মিনিট</td><td>
❖ ফলমূল আৰু শাক-পাচলি বাদ দি তুমি তৈয়াৰ কৰা তালিকাত প্ৰতিটো সামগ্ৰীৰ দাম লিখি যোৱা। যেনে-<br>
- কিতাপ – ১০<br>
- গাখীৰ – ৮<br>
- ব্ৰেড – ৪<br>
- টুথপেষ্ট – ৯<br>
❖ তোমাৰ দোকানৰ বাবে সঠিক টকা তৈয়াৰ কৰা। প্ৰতিটো টকা বা মুদ্ৰাৰ বাবে বিভিন্ন ৰং আৰু আকাৰৰ কাগজেৰে টকা তৈয়াৰ কৰিব পাৰা।<br>
❖ যেনে – ১ ৰ বাবে হালধীয়া তৰা, ২ ৰ বাবে গুলপীয়া বৃত্ত অথবা প্ৰকৃত টকা বা মুদ্ৰাৰ দৰে বিখ্যাত কোনো ব্যক্তিৰ ছবিৰে দেখাত একেই মুদ্ৰা তৈয়াৰ কৰিব পাৰা ইত্যাদি।<br>
❖ ২ বা ৩ থন ১- ২০ লৈ মুদ্ৰা বা টকা সাজি কাটি উলিওৱা।
</td></tr>
</table>

## দিন ৩

আজি তুমি সামগ্ৰী জুখিবা আৰু দাম ক’বা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ২০ মিনিট | ❖ ফলমূল আৰু শাক-পাচলি ওজনৰ বাবে তুলাচনী সাজি উলিওৱা।<br>- কাগজ বা প্লাষ্টিক কাপৰ ওপৰৰ ফালে সমান দূৰত্বত তিনিটা ফুটা কৰা।<br>- তিনিডাল অলপ ডাঠ ৰছী লৈ ফুটাকেইটাৰ মাজেৰে সুমুৱাই পকাই ৰছীকেইডালৰ শেষত এটা গাঁঠি দিয়া। তিনিওডাল ৰছী সমানে ওপৰৰ দিশত কিছু দূৰত্বত এটা গাঁঠি দিয়া। ৰছীডালৰ সৈতে কাপটো দেখাত হাতেৰে ধৰিব পৰা এটা বাল্টিৰ দৰে লাগিব।<br>- আন এটা কাগজ বা প্লাষ্টিকৰ কাপ লৈ তেনেদৰে ৰছীৰে বান্ধি ওলমাই লোৱা।<br>- এইবাৰ ৰছীৰে সৈতে দুয়োটা কাপ কাপোৰৰ হেঙ্গাৰৰ দুয়োটা মূৰত বান্ধি ওলমাই লোৱা।<br>- কাপ দুয়োটা ১ আৰু ২ ৰে নামাকৰণ কৰা।<br> |
| ১০ মিনিট | ❖ ওজন জোখা সঁজুলিটোত বিভিন্ন সামগ্ৰী জুখি ওজনৰ মান উলিওৱা। কিছুমান পাচলিৰ সংখ্যা চাই দাম নিৰ্ণয় কৰিব নোৱাৰিবা। কিছুমানৰ আকাৰ ডাঙৰ, কিছুমানৰ আকাৰ সৰু। যেনে – আলু, বিলাহী ইত্যাদি পাচলি ভিন্ন আকাৰৰ থাকে।<br>❖ ধৰি লোৱা, কাপ-১ ত, অনুমান কৰি উলিয়াই লোৱা পৰিমাপ মান ১ গ্ৰাম আছে। এতিয়া কাপ ২ ত এটা বিলাহী দি জুখা।<br>❖ যদি কাপ-২ ৰ ফালে বেছি গধুৰ হয়, ১গ্ৰাম/ ১০০ গ্ৰামতকৈ যদি বেছি গধুৰ হয় তেন্তে আন এক পৰিমাপ মান কাপ-১ ত দি পুনৰ জুখিবলৈ চেষ্টা কৰা।<br>❖ যদি কাপ-২ত থকা সামগ্ৰী পাতল হয় তেন্তে কাপ-১ পৰা কিছু পৰিমাপ মান কমাই দিয়া। |
| ১৫ মিনিট | ❖ তোমাৰ দোকানখনৰ এটা নাম ভাৱা আৰু নামৰ সৈতে দোকানৰ |

| | |
|---|---|
| | চিহ্নৰে এখন আকৰ্ষণীয় ফলক প্ৰস্তুত কৰা। |
| **১৫ মিনিট** | ❖ প্ৰতিটো সামগ্ৰীৰ বাবে দাম লিখি সৰু কাগজৰ টুকুৰা প্ৰস্তুত কৰি লগোৱা আৰু উপলব্ধ সকলো সামগ্ৰী যথাক্ৰমে সজাই লোৱা। অথবা শিক্ষাৰ্থীয়ে অংকন কৰা সামগ্ৰী সমূহৰ ছবি তেওঁলোকৰ সন্মুখত ৰাখিব পাৰে। তেওঁলোকে অংকন কৰা সামগ্ৰীৰ ছবিত ৰং বুলাব বা সজাব পাৰিব। প্ৰতিটো সামগ্ৰীৰ ছবিৰ তলত সামগ্ৰীৰ নাম আৰু মূল্য লিখিব। |

# দিন ৪

আজি তোমালোকে পৰিয়ালৰ কোনো এজনৰ সৈতে দোকানৰ সামগ্ৰীৰ মূল্য বঢ়োৱাৰ ওপৰত কাম কৰিবা।

| প্ৰস্তাবিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **৫ মিনিট** | ❖ তোমাৰ দোকানলৈ গ্ৰাহকৰ ৰূপত অহা ডাঙৰ ককায়েক বা পৰিয়ালৰ সদস্যই প্ৰতিটো সামগ্ৰী আঙুলিয়াই সুধিব, এই (সামগ্ৰীৰ নাম ক'ব)ৰ মূল্য কিমান? শিক্ষাৰ্থীয়ে আগতে নিৰ্ধাৰিত কৰি লোৱা সামগ্ৰীৰ তালিকা চাই দাম ক'ব। যেনে-২০.০০ টকা, ইত্যাদি। |
| **২০ মিনিট** | ❖ দোকানৰ ব্যৱহাৰ শিক্ষাৰ্থীয়ে আগতেই তৈয়াৰ কৰিছিল, ডাঙৰ ককায়েক বা পৰিয়ালৰ সদস্যই ২টা সামগ্ৰীলৈ আঙুলিয়াই সুধিব, এই (সামগ্ৰীৰ নাম ক'ব)ৰ আৰু এই (সামগ্ৰীৰ নাম ক'ব)ৰ একেলগে মুঠতে কিমান মূল্য হ'ব? শিক্ষাৰ্থীয়ে দুয়োবিধ সামগ্ৰীৰ মূল্য যোগ কৰি মুঠ দাম ক'ব। যেনে- এটা টি-চাৰ্টৰ মূল্য ২০.০০ টকা আৰু এটা চাৰ্ফৰ পেকেটৰ মূল্য- ৫.০০ টকা, মুঠতে দুয়োবিধ সামগ্ৰীৰ মূল্য হয় ২৫.০০ টকা। বিভিন্ন সামগ্ৰীৰ মূল্যৰ মিশ্ৰণৰ এই অনুশীলন ১০ বাৰ কৰা। যদি শিক্ষাৰ্থীৰ দুবিধ সামগ্ৰীৰ মূল্য যোগ কৰা সহজ হৈছে তেন্তে ৩ বা ৪ বিধ সামগ্ৰীৰ মূল্য একেলগে যোগ কৰিব। |
| **৩০ মিনিট** | ❖ এই অনুশীলন শিক্ষাৰ্থীয়ে নিজে কৰিব। তেওঁলোকে ২ বা ৩ বিধ সামগ্ৰী দোকানৰ পৰা বাচি লৈ মূল্যবোৰ লিখি যোগ কৰিব। যেনে- এটা টি-চাৰ্টৰ মূল্য-২০.০০ টকা, এটা চাৰ্ফৰ পেকেটৰ মূল্য- ৫.০০ টকা, এটা চাবোনৰ মূল্য-৫.০০ টকা, মুঠ- ৩০.০০টকা। |

# দিন ৫

আজি তোমালোকে মূল্য যোগ কৰাৰ লগতে বিয়োগ কৰি সামগ্ৰীৰ মাজৰ মূল্যৰ পাৰ্থক্য দেখা পাবা।

| প্ৰস্তাবিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৫ মিনিট | ❖ তোমাৰ দোকানলৈ গ্ৰাহকৰ ৰূপত অহা ডাঙৰ দাদা বা পৰিয়ালৰ সদস্যই ২ বিধ সামগ্ৰীলৈ আঙুলিয়াই সুধিব কোনবিধ সামগ্ৰীৰ দাম বেছি। শিক্ষাৰ্থীয়ে আগতে নিৰ্ধাৰিত কৰি লোৱা সামগ্ৰীৰ তালিকা চাই দাম ক'ব। যেনে-টি-চাৰ্টৰ দাম বেছি,২০.০০ টকা, ইত্যাদি। |
| ২০ মিনিট | ❖ দোকানৰ ব্যৱহাৰ শিক্ষাৰ্থীয়ে আগতেই তৈয়াৰ কৰিছিল, ডাঙৰ ককায়েক বা পৰিয়ালৰ সদস্যই ২ বিধ সামগ্ৰীলৈ আঙুলিয়াই সুধিব, " এই (সামগ্ৰীৰ নাম ক'ব)ৰ দামতকৈ এই (সামগ্ৰীৰ নাম ক'ব)ৰ দাম কিমান বেছি?" শিক্ষাৰ্থীয়ে দুয়োবিধ সামগ্ৰীৰ দামৰ পাৰ্থক্যৰ বাবে বেছি দামৰ পৰা কম দাম বিয়োগ কৰিব লাগিব আৰু দামৰ পাৰ্থক্য ক'ব। যেনে- এটা টি-চাৰ্টৰ মূল্য এপেকেট চাৰ্ফৰ মূল্যতকৈ ১৫.০০ টকা বেছি। বিভিন্ন সামগ্ৰীৰ মূল্যৰ মিশ্ৰণেৰে এই অনুশীলন ১০ বাৰ কৰা। |
| ৩০ মিনিট | ❖ শিক্ষাৰ্থীয়ে বিক্ৰী হোৱা সামগ্ৰীবোৰৰ মাজৰ পাৰ্থক্য লিখি যাব।<br>যেনে- টি-চাৰ্ট-২০.০০ টকা<br>} ১৫.০০ টকা<br>চাৰ্ফ -০৫.০০ টকা<br>} ৪.০০ টকা<br>পেঞ্চিল -০১.০০ টকা ইত্যাদি। |

# দিন ৬

আজি তুমি তোমাৰ পুতলা দোকান ঘৰৰ স্থাপন আৰু উপস্থাপন কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৩০ মিনিট | ❖ আপুনি শিক্ষাৰ্থীক ক'ব যে আপুনি (নিৰ্দিষ্ট টকা)টকা লৈ তেওঁৰ দোকানত সোমাইছে। গতিকে আপুনি সেই টকাৰ ভিতৰত বিভিন্ন সামগ্ৰীৰ সংমিশ্ৰণৰ দাম জানিব বিছাৰিব। আপুনি শিক্ষাৰ্থীক প্ৰতিটো সামগ্ৰীৰ সংমিশ্ৰণৰ এখন তালিকা কৰিবলৈ ক'ব, সংমিশ্ৰণত যি দাম হ'ব সেয়া প্ৰায় আপোনাৰ লগত থকা টকাৰ সমানেই হয় যেন। |
| ১০ মিনিট | ❖ খেলটোৰ শেষত তুমি মুঠ কিমান টকা আৰ্জিলা যোগ কৰা। |

## মূল্যায়নৰ মাপকাঠী

- পৰিয়ালৰ পৰা অনুসন্ধানৰ ওপৰত ভিত্তি কৰি বৰ্ণনামূলক তালিকাৰ নিৰ্বাচন আৰু প্ৰস্তুতকৰণ।
- বিভিন্ন সামগ্ৰীৰ সৰ্বাধিক খুচুৰা মূল্য অথবা অনুসন্ধানৰ ওপৰত ভিত্তি কৰি মূল্য নিৰ্ণয়।
- টকা/মুদ্ৰাৰ ধাৰণা স্পষ্টতা আৰু ৰূপাঙ্কন।
- ওজন জোখা স্কেলৰ কাৰ্য্যকাৰিতা।
- অৰ্থ ব্যৱস্থাপনা, যেতিয়া দোকানীৰ ৰূপত থাকে।

## অতিৰিক্ত সমৃদ্ধিকৰণ ক্ৰিয়াকলাপ

- বিক্ৰী কৰা বিভিন্ন সামগ্ৰীৰ শতকৰা গণনা।
- টকাৰ বাবে গাণিতিক নিয়ম উলিয়াই লোৱা।

--------------